ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

# ডাকৰ বচন ঃ ভাৰতীয় জ্ঞান পৰম্পৰাৰ এটি বোঁৱতী সুঁতি

— ৰিংকুমণি চুতীয়া
সহকাৰী অধ্যাপক
জেংৰাইমুখ মহাবিদ্যালয়
— অজিত কুমাৰ বৰা
সহযোগী অধ্যাপক
বাহনা মহাবিদ্যালয়
ই-মেইল্ ঃ ajitmajuli@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

লোকসাহিত্য সমূহৰ অন্যতম গুৰুত্বপূৰ্ণ সমল হ'ল প্ৰজন্মৰ পৰা প্ৰজন্মলৈ মৌখিক ৰূপত বাগৰি অহা প্ৰবচন, ফকৰা-যোজনা আদিবোৰ। অসমীয়া সাহিত্যৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ অধ্যয়ন আৰু গৱেষণাতো এনে লোকসাহিত্যৰ উপজীব্যসমূহৰ বিশদ আলোচনা আৰু গুৰুত্বৰ উমান পোৱা যায়। এইবোৰৰ ভিতৰত ডাকৰ বচনসমূহ অশেষ গুৰুত্বপূৰ্ণ, কিয়নো এই প্ৰবচনসমূহে শতিকাজুৰি পৰম্পৰাগত জ্ঞান আৰু নীতি-নিৰ্দেশনাসমূহ প্ৰচাৰ কৰি আহিছে। প্ৰাচীন, কৃষিজীৱি, গ্ৰাম্য সমাজৰ প্ৰায় সকলো দিশ, চিন্তন মনন আৰু কথনত চুই যোৱা ডাকৰ বচনসমূহৰ এটি সম্যক পৰ্যালোচনা এই গৱেষণা পত্ৰত আগবঢ়োৱা হৈছে। লগতে সাম্প্ৰতিক সমাজব্যৱস্থাই এইসমূহক কেনে দৃষ্টিভংগীৰে লক্ষ্য কৰিছে তাৰো এক ব্যাখ্যা ডাঙি ধৰা হৈছে।

***বীজ শব্দ ঃ** প্ৰবচন, ভাৰতীয় জ্ঞান পৰম্পৰা, ডাকৰ বচন, ফকৰা-যোজনা।*

**আৰম্ভণি ঃ**

অনাদিকালৰে পৰা মানুহৰ জীৱন যাত্ৰাত শুদ্ধাশুদ্ধ, ন্যায়-অন্যায়, ভাল-বেয়া, সুন্দৰ-কুৎসিত আদিৰ দৰে দ্বি-বিভাজনসমূহে ব্যক্তিগত আৰু সামাজিক গতি নিৰ্ণায়কৰ ভূমিকা পালন কৰি আহিছে। সজ, সৎ আৰু মানৱীয় আবেদনেৰে সিক্ত এক সফল জীৱন পৰিক্ৰমা সম্পন্ন কৰাৰ বাটত আহি পৰা প্ৰত্যাহ্বানসমূহক সঠিক উপায়েৰে পৰাভূত কৰি ঈপ্সিত লক্ষ্যত উপনীত হ'বলৈ মানুহে আশ্ৰয় লয় পূৰ্বপুৰুষ বা অতীত প্ৰজন্মৰ অভিজ্ঞতা লব্ধ-জ্ঞানৰ নীতি-নিৰ্দেশনা। এনে নীতি-নিৰ্দেশনা বা পথৰ সন্ধান দিব পৰা পাৰম্পৰিক জ্ঞান প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বাগৰি আহে চিৰপ্ৰবাহমান, অপ্ৰতিৰোধ্য স্ৰোতৰ দৰে। এনে প্ৰসাৰ আৰু প্ৰয়োগযোগ্য জ্ঞান নানা উপায়েৰে, ভিন্ন মাধ্যমেৰে, এক অদৃশ্য অথচ সৰ্বত্ৰ বিৰাজমান সত্ত্বাৰ দৰে মানুহৰ মন মগজুত, আচাৰ-আচৰণ, কথা-বাৰ্তা আৰু পঠন লিখনত বিস্তাৰিত হয়। পূৰ্বৰ অনাখৰী, চহা আৰু গ্ৰাম্য জীৱনক সঠিক পথত গতি দিয়া এনে অনেক সামাজিক জীৱনৰ গতি নিৰ্ধাৰক নীতি-নিৰ্দেশনা মূলতঃ মৌখিক ৰূপত প্ৰচলিত আছিল। লিখিত বা স্থায়ী ৰূপৰ অবৰ্তমানত সেই নীতি-নিৰ্দেশনাবোৰ স্বাভাৱিকতে সংক্ষিপ্ত, সহজে মনত ৰোৱা আৰু সততে প্ৰয়োজনীয় ব্যক্তিগত তথা সামাজিক বিষয়বস্তু সম্বন্ধীয় আছিল। এই মৌখিক আৰু সঞ্চালনিকে প্ৰয়োজনীয় জীৱনচৰ্যাৰ বাবে নিত্য প্ৰয়োজনীয়

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

নিৰ্দেশনাসমূহৰ বহুল প্ৰয়োগ আৰু প্ৰচলন সমগ্ৰ বিশ্বৰ লগতে পৌৰাণিক মানৱ সভ্যতাৰ উৰ্বৰ স্থলীৰূপে পৰিচিত ভাৰতবৰ্ষৰ প্ৰতি চুকে-কোণে বিদ্যমান। ভাৰতৰ বিভিন্ন প্ৰান্তৰৰ সমান্তৰালকৈ উত্তৰ-পূব কোণ স্থিত অসমৰ সামাজিক জীৱনতো এনে নীতি-নিৰ্দেশনামূলক অনেক প্ৰবচনৰ বহুল প্ৰচলন আছে। এইসমূহৰ ভিতৰত সৰ্বত্ৰ জনপ্ৰিয়, বহুল প্ৰচাৰিত আৰু বিশদভাৱে ব্যৱহৃত প্ৰবচনসমূহৰ এক উজ্বল নিদৰ্শন হ'ল 'ডাকৰ বচন'সমূহ। এক কথাত, ডাকৰ বচনসমূহ হ'ল অসমীয়া সামাজিক জীৱনকেন্দ্ৰিক প্ৰায়োগিক নীতি-নিৰ্দেশনাৰ শতিকাজোৰা সঞ্চিত জ্ঞানৰ এক অমূল্য ভঁৰাল।

এই প্ৰবচন বা প্ৰবাদ বাক্যসমূহ "লোক-প্ৰজ্ঞা (folk-lore) ৰ সূক্ষ্ম সমষ্টি।" এনে প্ৰবচনসমূহে আন সকলো লোক সাহিত্যৰ সমলৰ দৰেই অভিজ্ঞতালব্ধ "প্ৰজ্ঞাৰ স্বতঃস্ফুৰ্ত প্ৰকাশ, জীৱনৰ টিপ্পনী।" ইবোৰৰ প্ৰকাশভঙ্গী আন লোক সাহিত্যৰ সমলবোৰৰ দৰেই অত্যন্ত সৰল, চিন্তাকৰ্ষক, শ্ৰুতিমধুৰ আৰু সহজে মনত ৰাখিব পৰা বিধৰ।

ডাকৰ বচন কি?

'ডাকৰ বচন' শব্দ যুগলৰ পৰা আপাতদৃষ্টিতে এইসমূহ 'ডাক' নামৰ কোনো ব্যক্তি বিশেষৰ 'বচন' (saying) বুলি ব্যাখ্যা আগবঢ়োৱা দেখা যায়। পিছে মৌখিক লোকসাহিত্যৰ অধ্যয়ন, গৱেষণা তথা বিশ্লেষণে এই 'ডাক' নামৰ এজন মাত্ৰ ব্যক্তি বিশেষৰ অস্তিত্ব তথা অৱদানৰূপে এই বচনসমূহ একমুখে স্বীকাৰ কৰিব নোৱাৰে কিয়নো লোকসাহিত্য মানেই যে এক সামূহিক উৎপাদনৰ উমৈহতীয়া ফচল। তদুপৰি, লোক সাহিত্যৰ অন্যতম উপাদান প্ৰবচনসমূহৰ এজনেই মাত্ৰ স্ৰষ্টা বা দ্ৰষ্টা থাকিব, এনে কোনো ইতিহাস স্বীকৃত বা তথ্যসমৃদ্ধ আৰু সৰ্বগ্ৰহণযোগ্য সম্বল নাই। অৱশ্যে, 'ডাক' সম্পৰ্কীয় অনেক জনশ্ৰুতি কেৱল অসমতে নহয় উত্তৰ-পূব আৰু ভাৰতৰ বিভিন্ন স্থানত প্ৰচলিত আছে। অসমৰ দৰে বংগ আৰু বিহাৰৰ লোকেও ডাকক নিজৰ মানুহ বুলি দাবী কৰে। ইয়াৰোপৰি, ভাৰতৰ অন্যান্য প্ৰান্তটো প্ৰচলিত কিছুমান প্ৰবচনৰ জনক গৰাকীক ক'ৰবাত 'খনা', ক'ৰবাত 'ঘাঘ', ক'ৰবাত 'ডংক', আন ক'ৰবাত আকৌ 'ভডডৰ/ ভডডৰী' আদি বুলিও জনা যায়। প্ৰবচনসমূহৰ বিষয়বস্তু আৰু প্ৰচলন লগতে প্ৰৱৰ্তকগৰাকীৰ নামৰ সাদৃশ্যই এইবোৰ কেৱল মাত্ৰ অসমীয়া সামাজিক জীৱনৰ গণ্ডীতেই যে সীমাবদ্ধ নহয়, সেই কথা সোঁৱৰাই দিয়ে। এনে আলোচনাৰ প্ৰসংগত ড° নবীন চন্দ্ৰ শৰ্মাদেৱে তেখেতৰ সম্পাদিত 'ডাক প্ৰবচন' নামৰ গ্ৰন্থখনত লিখিছে যে-- ডাক আদি (পুৰুষ বা নাৰী) প্ৰবচনৰ প্ৰৱৰ্তকসকল কোনো ঐতিহাসিক বা ইতিহাস স্বীকৃত ব্যক্তিসত্বা নহয়। বৰং, দূৰ অতীতৰ পৰা মুখ পৰম্পৰা চলি অহা কৃষি, জ্যোতিষ, শুভাৰম্ভ নিৰ্ণয়, যাত্ৰা বিচাৰ আদি সম্পৰ্কীয় প্ৰবচনবোৰ লোক মানসে ডাক, ডংক, ঘাঘ, ভডডৰ/ ভডডৰী আদিৰ নামত সংযোগ (আৰোপণ) কৰি দিছে যাতে এনে প্ৰবচনবোৰৰ মূল্য আৰু গাম্ভীৰ্য বাঢ়ে।

আনহাতে 'ডাক' শব্দৰ শব্দগত অৰ্থ 'উচ্চ শব্দ' বা 'চিঞৰি মতা মাত'। আধুনিক ভাৰতীয় ভাষা যেনে বাংলা আৰু অসমীয়া আদিত 'ডাক' শব্দই এনে অৰ্থই প্ৰকাশ কৰে। যেনে, কবিগুৰু ৰবীন্দ্ৰ নাথৰ অতি জনপ্ৰিয় আৰু অনুপ্ৰেৰণামূলক গীত "যদি তোৰ ডাক শুনে কেও না আসে/ একলা চল'ৰে, একলা চল' ..." বা অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভনিতাসমূহত 'ডাকি বোলা হৰি হৰি" (উচ্চস্বৰে হৰিক স্মৰণ কৰা/ উচ্চস্বৰে হৰিনাম কীৰ্তন কৰা) এই অৰ্থতে 'ডাক' শব্দৰ ব্যৱহাৰ সণ্ঢালনিকৈ পোৱা যায়। এনে আলোচনাৰ পৰিপ্ৰেক্ষিততে, "অসমৰ লোকসমাজ আৰু লোকসাহিত্য" শীৰ্ষক পাঠত লেখক শশী শৰ্মাদেৱৰ গ্ৰহণযোগ্য


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

মন্তব্য এনেধৰণৰ -- "'ডাক' শব্দৰ এনে অৰ্থলৈ মন কৰিলে আৰু বৈষ্ণৱ পদাৱলীৰ ভনিতাত 'ডাক' শব্দৰ প্ৰয়োগলৈ লক্ষ্য কৰিলে, সহজে অনুভৱ কৰিব পাৰি যে যি কথা উচ্চস্বৰে বা মুকলিমুৰীয়াভাৱে প্ৰচাৰ কৰা উচিত, সি কথাই 'ডাক'। বৈষ্ণৱ পদাৱলীত 'ডা' শব্দটো ক্ৰিয়া বিশেষণ ৰূপেহে ব্যৱহাৰ হৈছে-- 'ডাকি বোলা'। 'ডাকৰ বচন' প্ৰকৃততে 'ডাকবচন' হে; অৰ্থাৎ সমাজত উচ্চস্বৰে বা মুকলি মনেৰে প্ৰচাৰ কৰিবলগা কথাহে।"

গতিকে 'ডাকৰ বচন'সমূহৰ স্ৰষ্টা বা প্ৰৱৰ্তক বুলি কোনো ব্যক্তিবিশেষলৈ আঙুলিয়াই দিয়া কথাটো কেৱল মাত্ৰ জনশ্ৰুতি ভিত্তিক বুলিহে ক'ব পাৰি। কিন্তু বিষয়বস্তুৰ গুৰুত্ব, প্ৰবচনসমূহৰ শব্দ চয়ন, বাক্যৰীতি বা শব্দৰ ব্যৱহাৰৰ এনে চিত্তাকৰ্ষক আৰু সহজে মনত ৰাখিব পৰা ধৰণৰ যে এইসমূহ জনমানসত অতি প্ৰিয় আৰু সঘনে ব্যৱহৃত। সেইবাবেই হয়তু 'ডাকৰ বচন বেদৰ বাণী'ৰ দৰে আপ্তবাক্যই মানুহৰ মন-মগজুত বাহ বান্ধিবলৈ পাইছে।

প্ৰশ্ন হয়-- ডাকৰ বচনসমূহৰ এনে বহুল প্ৰয়োগ আৰু জনপ্ৰিয়তাৰ কাৰণ কি? এই প্ৰশ্নৰ উত্তৰ বিচাৰিলে আমি দেখো সিবিলাকৰ বিষয়বস্তু দৈনন্দিন প্ৰায়োগিক জীৱনচৰ্যাৰ প্ৰতিটো দিশৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। গ্ৰাম্য চহা জীৱন তথা অনাখৰি লোকজীৱনৰ এনে এটা দিশ নাই যিবোৰৰ সম্পৰ্কীয় বা সম্বন্ধিত এটা নহয় এটা ডাকৰ প্ৰবচন প্ৰচলিত নাই। মূলতঃ জীৱনৰ আৰম্ভণি বা জন্ম সম্পৰ্কীয়, জাতকৰ ভৱিষ্যৎ জীৱনৰ লগত জড়িত জ্যোতিষ বিচাৰ আদিৰ পৰা স্ত্ৰী-পুৰুষৰ লক্ষণ, সু-লগ্ন বা কু-লগ্ন নিৰূপক, ন্যায়-নীতি, দ্ৰব্যগুণ, ৰাজ-কাৰ্য, ৰন্ধন, ভোজন, শয়ন, ভ্ৰমণ, বতৰ, কৃষি, ঔষধ, বীজ সংৰোপণ, গৃহ-সজ্জা, মৰণ আদি প্ৰায় সকলো দিশৰ লগতে ৰজিতা খুৱাই ডাকৰ বচন প্ৰচলিত হৈ আছে। যিহেতু কোনো ব্যক্তিবিশেষ বা ব্যক্তিসম্প্ৰদায়েই এই বিষয়বোৰ এৰি চলিব নোৱাৰে সেয়ে সমাজৰ প্ৰায় সকলোৰেই এইবোৰৰ লগত জড়িত নীতি-নিৰ্দেশনামূলক ডাকৰ বচনসমূহৰ লগত পৰিচিত।

অসমীয়া সাহিত্যৰ ৰূপৰেখা গ্ৰন্থত ড° মহেশ্বৰ নেওগদেৱে ডাকৰ বচনসমূহৰ বিস্তৃত পৰিসৰ আৰু যি বিশাল সামাজিক উপলক্ষ্যত এইবোৰৰ ব্যৱহাৰ হয় সেইয়া এনেদৰে প্ৰকাশ কৰিছে--

"ছেৰা-শালি বা প্ৰসূতি গৃহত পোঁৱতী বা সন্তানক কেনেভাৱে ৰাখিব লাগে, কেনেভাৱে পৰিচৰ্যা কৰিব লাগে আৰু কি কি লোকাচাৰ পালন কৰিব লাগে, সকলোখিনি ডাকৰ বচনত আছে। ধৰ্ম, পৰোপকাৰ আৰু নীতি পালনেই জীৱনৰ মূলমন্ত্ৰ হোৱা উচিত। সকলোৰে উপকাৰৰ কাৰণে ধৰ্ম মন্দিৰ সজা, পুখুৰী খন্দা, আলিৰ দাঁতিত গছ বোৱা, অন্ন দান কৰা আদি কাৰ্য পূণ্যৰ পথ... সাধাৰণ জীৱন ৰীতি সম্পৰ্কে কিছুমান বুদ্ধিমান ইঙ্গিত বচনবোৰত আছে আৰু তাৰ লগে লগে সিবোৰত সৰু সৰু কথাটো সূক্ষ্ম পৰ্যবেক্ষণ শক্তিৰ প্ৰয়োগ দেখা পোৱা যায়। শৰীৰ ভাল ৰাখিবৰ উপায়ৰো নানা ইঙ্গিত বা ফৰ্মূলা (ডাকৰ বচনত) সন্নিৱিষ্ট আছে। অসমীয়া খোৱাৰ ৰুচিৰ বিষয়ে প্ৰবচনবোৰৰ পৰা বহুত কথা বুজিব পাৰোহঁক। আগৰ কালৰ বিশ্বাস অনুসৰি ডাকৰ বচনে তিৰোতাৰ লক্ষণ নিৰূপণ কৰিছে।" কৃষিজীৱি গ্ৰাম্য, চহা জীৱনৰ উপাৰ্জন তথা জীৱিকাৰ মূল উৎস খেতি-বাতিক লৈ, খেতি আৰু খেতিয়কৰ আৱশ্যকীয় কাম-কাজৰ কথাবোৰে ডাকৰ বচনসমূহত বিশেষ গুৰুত্ব লাভ কৰিছে। প্ৰাঞ্জল ভাষা তথা শব্দ চয়নৰ চমৎকাৰিতাই এই প্ৰবচনবোৰক মনোগ্ৰাহী আৰু জনপ্ৰিয় কৰি তোলাত সহায় কৰিছে। অৱশ্যে কালৰ গতি আৰু ব্যৱহাৰৰ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

স্থানানুসাৰে এনে শব্দবোৰৰ স্থান বা স্বৰূপ সালসলনি হোৱাটো নিতান্তই এক স্বাভাৱিক পৰিঘটনা বুলি ভবাৰ থল আছে।

অসমীয়া সামাজিক জীৱনত সততে প্ৰচলিত আৰু সমাদৃত নীতি-নিৰ্দেশনামূলক ডাক বচনসমূহৰ ক্ষেত্ৰবিশেষে হোৱা ব্যৱহাৰৰ এটি আলচ তলত ডাঙি ধৰা হৈছে ঃ

কৃষিক্ষেত্ৰৰ লগত জড়িত ডাক বচনৰ নমুনা ঃ

ঘন ঘনকৈ দিবা আলি।
তেহে পাবা নানান শালি।।
আলি ওপৰে দিবা আলি।
খেতি নহ'লে ডাকক দিবা গালি।।

স্থানভেদে এনে বচনৰ ভিন্নতা লক্ষ্য কৰিলেও সেইবোৰৰ প্ৰায় সমাৰ্থক ঃ

বাম ভূমিত ঘনাই দিবা আলি।
যদি নহয় শালি, ডাকক পাৰিবা গালি।।

সেইদৰে,

যি নৰে সদা কৃষি কৰে।
সেৱাৰ ফল পাইবা ঘৰে।।
এতেকে কৃষি কৰিবা সাৰ।
দুৰ্ভিক্ষত কৃষি কৰে নিস্তাৰ।।

ভিন্ন ক্ষেত্ৰত এনে বচন আকৌ ভিন্ন ৰূপত প্ৰচলিত ঃ

ডাকে বোলে বাপু শুনা উপায়।
বাণিজ্যৰ ফল কৃষিতে পায়।।
যি নৰে সদা কৃষিক কৰে।
সেৱাৰ মণি পাইবা ঘৰে।।
এতেকে কৃষিক কৰিবা সাৰ।
তেবেসে দুৰ্ভিক্ষ হোৱে নিস্তাৰ।।

এনে ভিন্নতাই যুগৰ অগ্ৰগতিত মূল প্ৰবচনসমূহত হোৱা বঢ়া-টুটা বা যোগ-বিয়োগে ইবোৰৰ মৌখিক বা লোকসাহিত্যৰ প্ৰকৃত স্বৰূপ প্ৰকাশ কৰিছে। লগতে, কৃষক আৰু কৃষিৰ বাবে অতীব প্ৰয়োজনীয় নীতি-নিৰ্দেশনাসমূহৰ গুৰুত্ব প্ৰকাশ কৰিছে। শস্যৰ বয়ন, ৰোপণ আৰু প্ৰতিপালন সম্বন্ধীয় ডাকৰ বচনসমূহো গঞা জনজীৱন তথা সামাজিক জীৱনচৰ্যাৰ বাবে অতি গুৰুত্বপূৰ্ণ ঃ

ঘন সৰিয়হ পাতল মাহ।
মূলা কপাহত কৰিবা চাহ।।

০০০

সাতত সেৰেঙা পাচত ঘন।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

ছয়ত তামোল নদন বদন।।
০০০
এহাত এমুঠন কলৰ পোত।
তেহে চাবা কলৰ গোট।।
০০০
পুহত আহু জেঠত শালি।
তেহে জানিবা গৃহস্থালি।
০০০
আহু ৰুবা খোজত বুৰি।
শালি ৰুবা বেগত জুৰি।।

গ্ৰাম্য কৃষি-কাৰ্য মাথো সৌ-সিদিনালৈকে আছিল পোহনীয়া গো-ধন বা আন জীৱ-জন্তু আৰু কায়িক পৰিশ্ৰমৰ ওপৰত নিৰ্ভৰশীল। গতিকে কৃষিৰ ফল ভালদৰে পাবলৈ প্ৰয়োজনীয় গো-ধনৰ স্বৰূপ আৰু সিবোৰৰ যতন আদিক লৈও ডাকৰ বচন আছে।

হাল বায় মাটি চহাবৰ বাবে প্ৰয়োজনীয় গৰুহাল কিনোতে চাবলগীয়া দিশবোৰ আৰু বাহ্যিক, শাৰীৰিক অবয়ব দেখিয়েই জানিব পৰা গৰুৰ লক্ষণসমূহ বৰ্ণাবলৈ ডাকৰ বচনে কৈছে ঃ
গৰু কিনিবা চিকণ জালি।
দুই চাৰি দন্তীয়া ভালি।।
হৰিণৰ নিচিনা জিভা কাণ।
তেনে বলধক বিচাৰি আন।।

আকৌ কৈছে-- গৰু দেখা মাত্ৰকেই পইচা দি ক্ৰয় কৰি নানিবা, দুই চাৰিক সেই সংক্ৰান্তত সোধা-পোছা কৰিহে ক্ৰয় কৰিব লাগে। নহ'লে ঠগন খোৱাৰ ভয় ঃ
দৰ চাৰিত সোধা পোছা।
তেহে কিনিবা বলধ গোটা।।

উত্তম স্বভাৱৰ বলধ কেনে শাৰীৰিক লক্ষণযুক্ত হয় বা কেনেধৰণৰ বলধৰ দ্বাৰা কৃষি কৰিলে শস্য নদন-বদন হোৱাৰ আশা বা শস্য উৎপাদন যথোপযুক্ত হোৱাৰ আশা নাথাকে তাক লৈ ডাকে কৈছে ঃ
টকা নেজা, খোতোৰা চুটি।
সেইটি জানিবা গৰিয়া গুটি।।
তাল যুৰীয়াৰে বায় হাল।
ভাতে নাটে সৰ্বতিকাল।।

ঠিক সেইদৰে বলধৰ গাৰ ৰং, অংগক্ষত আদিক লৈ কৈছে ঃ
শিং ভগা গৰু নুজুৰিবা হাল।
ৰঙা বৰণীয়া হ'লে ভাল।।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

কলীয়া বলধ যতনে জুৰি।
নুজুৰিব খোৰা দুই দামুৰি।।

কোনধৰণৰ কৃষি-কাৰ্য কিমান কৰিলে এখন গৃহস্থালি সুখে-সন্তোষে চলিব পাৰে তাকে লৈ ডাকৰ বচনে কয় ঃ

তিনিশ ষাঠি জোপা ৰুবা কল।
মাহেকে পযেকে চিকুনাবা তল।।
পাত পটুৱা লাভত পাবা।
লংকাৰ বণিজ ঘৰতে পাবা।।

পৰম্পৰাগত কৃষিপ্ৰধান সমাজ কৃষিৰ বাবে বতৰৰ ওপৰত নিৰ্ভৰশীল। কেনে বতৰে কিদৰে কৃষিৰ ওপৰত প্ৰভাৱ পেলায় তাক ডাকৰ বচনে সংক্ষিপ্ত অথচ আকৰ্ষণীয়কৈ প্ৰকাশ কৰিছে ঃ

যদি বৰষে মাঘৰ শেষ।
ধন্য ৰজা পূণ্য দেশ।।

কৃষিজীৱি গঞাই কষ্টেৰে সজা পঁজাগৃহটি যাতে সুবিধাজনক আৰু সুচল হয় তাৰ লক্ষ্যৰে ডাকৰ বচনে দিহা দিছে ঃ

পূবে হাঁহ পশ্চিমে বাহ।
উত্তৰে চৰু দক্ষিণে গৰু।।

স্থানবিশেষে কয়--

পূবে হাঁহ পশ্চিমে বাহ।
উত্তৰে গুৱা পশ্চিমে ধোৰা।।

বাঁহ, খেৰ, ইকৰাৰে সজা পঁজাটি মজবুত কৰি বনাবলৈ পালন কৰিবলগা দিহা ডাকে এনেদৰে দিছে ঃ

ৰুৱা ল'বা যতেক ততেক।
মাৰলি ল'বা তিনি ততেক।।

কষ্টৰে অৰ্জন কৰা ভাতমুঠি ঘৰৰ গৃহস্থালিয়ে পৰম যতনেৰে গ্ৰহণ কৰাৰ লগতে খাদ্য বস্তু যাতে অনিষ্ট নহয় তাৰ লক্ষ্য ৰাখিব লাগে। অনাহকত খাদ্য দ্ৰব্য অনিষ্ট কৰাজনক সততে দূৰত ৰাখিব লাগে বুলি ডাকৰ বচনে কৈছে ঃ

অলপ খায় পেলায় প্ৰচুৰ।
ডাকে বোলে তাইক নিকাল দূৰ।।

সাৰুৱা ভূমিত যত্নৰে কৰা শাক-পাচলি, নদীমাতৃক ঠাইত সহজে পোৱা মাছ-কাছক ব্যৱহাৰেৰে অসমীয়া সমাজে পুষ্টিকৰ আৰু সুস্বাদু খাদ্য প্ৰস্তুত কৰিব পৰাকৈ ডাকৰ বচনে বহু ৰন্ধন প্ৰকৰণৰ দিহা দিছে


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

ঃ

পকা তেঁতেলি বুঢ়া বৰালি।
বিস্তাৰ কৰিয়া দিবা জালি।।
কাঢ়ি দিবাহা টেঙাৰ জোল।
খাবৰ বেলা মুণ্ড নোতোল।।

০০০

পূৰৈ শাক ৰোহিত মাছ।
ডাকে বোলে সেহি ব্যঞ্জন সাঁচ।।

০০০

কাৰৈ মাছক কচি কুটিয়া।
হালধি মচি দি তেলে ভাজিয়া।।
ওলট পালট কৰিয়া পিঠি।
খাই পাইবা তেবেসে মিষ্টি।।

ঠিক তেনেকৈ কোন ঋতু, বতৰ বা মাহত কেনে খাদ্য খাব লাগে, স্বাস্থ্যসন্মত আহাৰৰ দিহা দিবলৈও ডাকৰ বচনে পাহৰা নাই ঃ

ফাগুনত মৌ, চ'তত ঔ, বহাগত বৰ।
ইয়াকে খালে গুচে কৰ্ম্মজ্বৰ।।
জেঠত দৈ আহাৰত খৈ।
শাওনত মৰাপাট খাবা গৈ।।
ভাদত ওল আহিনত কল।
কাতিত কচু বঢ়াই বল।।
আঘোণ মাহত ৰান্ধিবা চৰাই।
পুহত পিঠা মাঘত কৰাই।।

গ্ৰাম্য, সৰল ভাষা মূলতঃ বৰপেটা অঞ্চলৰ উপভাষাত প্ৰচলিত ডাকৰ বচনসমূহৰ বহুসংখ্যক সংগৃহিত সংকলন বৰ্তমান প্ৰজন্মৰ বাবে লিখিতৰূপত উপলব্ধ। ঠাইবিশেষে সিবোৰৰ কথন ৰীতি আৰু ব্যৱহাৰ বেলেগ বেলেগ। তথাপি, এই প্ৰবচনসমূহ জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে মানুহে মানি চলে। পিছে, সাম্প্ৰতিক সময়ত এই প্ৰবচনসমূহে "পুৰুষতান্ত্ৰিকতা"ৰ বাহক বুলি সমালোচনাৰ মুখামুখি হৈছে। আধুনিক জ্ঞান-বিজ্ঞান তথা শিক্ষা-দীক্ষাৰে পৰিপুষ্ট সমাজ ব্যৱস্থাত লিংগৰ সমতা আৰু লিংগভিত্তিক বৈষম্যতা বিষয়ত সজাগ আৰু সচেতন। পুৰুষ-নাৰীয়ে সমাজৰ সৰ্বত্ৰ সম অধিকাৰ আৰু স্বাধীনতা ভোগ কৰে আৰু কৰিব বিচৰাতো অতি স্বাভাৱিক। গতিকে, প্ৰাচীন গ্ৰাম্য সমাজ অৰ্থনীতিৰ ভেঁটিত গঢ়ি উঠা এই প্ৰবচনবোৰে ডাঙি ধৰা লিংগ বৈষম্য আজিৰ প্ৰজন্মই উলাই কৰিব বিচৰা বা সিবোৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰাত বিশেষ অস্বাভাৱিকতা নাই। প্ৰকৃতপক্ষে ডাকৰ বচনত নাৰীৰ প্ৰতি অতি কঠোৰ দৃষ্টিভংগী প্ৰকাশ পাইছে, যিবোৰ পুৰুষতান্ত্ৰিক মনোভাৱ বা দৃষ্টিভংগীৰ চূড়ান্ত বহিঃপ্ৰকাশ। কিছু কিছু ক্ষেত্ৰত এনে দৃষ্টিভংগী মনুস্মৃতিৰ

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

অবিকল অনুৰণণ বুলিব পাৰি। উল্লেখ্য মনুস্মৃতিয়ে নাৰীক পুৰুষৰ প্ৰভাৱ আৰু নিয়ন্ত্ৰণৰ পৰা বাহিৰ ওলোৱা প্ৰায় নিষিদ্ধ কৰিছে য'ত কুমাৰী কালত নাৰী পিতৃৰ দ্বাৰা, যৌৱনত স্বামীৰ দ্বাৰা আৰু বাৰ্ধক্যত পুত্ৰৰ দ্বাৰা ৰক্ষণীয়া হ'ব লাগে বুলি দৃঢ় মত পোষণ কৰিছে। ডাকৰ বচনটো নাৰীক পুৰুষৰ কঠোৰ অনুশাসন বা নিয়ন্ত্ৰণৰ ভিতৰুৱা কৰিছে। এনে দৃষ্টিকোণৰ পৰা এই বচনসমূহ আৰ্য ভাৰতীয়/ অসমীয়া সংস্কৃতিৰ সৃষ্টি বুলি পতিয়ন নিয়াব পাৰি। কিয়নো অনাৰ্য সাংস্কৃতিক পৰিমণ্ডলত বা বৰ্তমানৰো জনজাতীয় সমাজ ব্যৱস্থাত নাৰীৰ সামাজিক প্ৰস্থিতি পুৰুষৰ সমস্তৰৰ আৰু মাতৃপ্ৰধান জনজাতীয় সমাজত ই পুৰুষৰ উৰ্দ্ধত। এনে সমাজত নাৰী বহুলাংশে স্বাধীনচিতীয়া, মুক্ত আৰু পুৰুষৰ নিয়ন্ত্ৰণাধীন নহয়। নাৰীৰ মুক্ত চলন-ফুৰণক সততে সন্দেহৰ দৃষ্টিৰে চোৱা বা এনে বিচৰণ কঠোৰ নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা ডাকৰ বচনে উপৰ্যুপৰি সোঁৱৰাই --

য'লৈকে পায় ত'লৈকে যায়।
ডাকে বোলে তাইক নিদিবা ঠাই।।
যাৰ কোনো কথা হাঁহিয়ে সাৰ।
ডাকে বোলে সেই দুষ্টিক চাৰ।।

ঠিক সেইদৰে দুষ্টমতি তিৰোতাৰ লক্ষণ বৰ্ণনা কৰি ডাকে তেনে নাৰীৰ সংগ পৰিত্যাগ কৰিবলৈ বা তেনেসকলৰ পৰা দূৰত থাকিবলৈ কৈছে --

নুৰুচে যিজনী স্বামীৰ পাশে।
পৰৰ মুখ চায় মুচুকাই হাসে।।
ঘৰত ঢেকী পৰৰ ঘৰে যায়।
ডাকে বোলে তাক পৰেসে বায়।।
বাট ঘনে ঘনে উলটি চায়।
পৰ পুৰুষত থাকে অভিপ্ৰায়।।

যিবোৰ কৰ্মত ৰত হ'লে মানুহৰ স্বভাৱ বা ব্যৱহাৰ্য্য বস্তুৰ মান হ্ৰাস হয় তাক সাঙুৰি নাৰীৰ চৰিত্ৰ স্খলন হ'ব পৰা স্বভাৱৰ বিষয়ে কৈছে --

সু কাপোৰ নষ্ট হয় ঘনে ল'লে জাপত।
সু পো নষ্ট হয় নুসুধিলে বাপত।।
সু/বাৰী নষ্ট হয় মাজে ল'লে বাট।
সু/নাৰী নষ্ট হয় ঘনেই বেহাই হাট।।

সাম্প্ৰতিক পৰিপ্ৰেক্ষিতত য'ত নাৰীয়ে পুৰুষৰ সমানে উঠা-বহা, চাকৰি, ব্যৱসায়-বাণিজ্যত যুক্ত হোৱাৰ লগতে পৰম্পৰাগত পুৰুষপ্ৰধান জীৱিকাসমূহত নিজকে উপযুক্ত ৰূপত নিযুক্ত কৰিছে, তেনে সময়ত এনে ডাকৰ বচনসমূহ অপ্ৰাসংগিক বা যুক্তিহীন যেন লগাটো স্বাভাৱিক। কিন্তু উৎপত্তিৰ সময় বা প্ৰাচীন সমাজ ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত এইবোৰ সমাজ জীৱনত পালনীয় আৰু প্ৰশ্নাতীত নিৰ্দেশনামূলক প্ৰবচন আছিল। সেয়ে, ডাকৰ বচনসমূহ বৰ্তমানো প্ৰচলিত আৰু অদূৰ ভৱিষ্যতেও সেইবোৰ পূৰ্ণমাত্ৰাত অপ্ৰাসংগিক হৈ পৰাৰ সম্ভাৱনা নাই। ভাৰতীয় পৰম্পৰাগত জ্ঞান ব্যৱস্থাত এইবোৰ বাৰিষাৰ গভীনি নদীৰ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

দৰে নহ'লেও মানুহৰ মন মানসিকতাত অন্তঃসলিলা হৈ বৈ থাকিব।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১) গগৈ, লীলা (২০০১). অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা, বনলতা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ।

২) নেওগ, মহেশ্বৰ (২০২৩). অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ত্ৰয়োদশ সংস্কৰণ।

৩) নাথ, শশীধৰ (২০০৩). লোকসাহিত্যৰ এখিলা পাত, বীনাবালা দেৱী, ছিপাঝাৰ, প্ৰথম প্ৰকাশ।

৪) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০১). অসমীয়া লোকসাহিত্য, অসম সাহিত্য সভা, দ্বিতীয় সংস্কৰণ।

৫) শৰ্মা, নবীন চন্দ্ৰ (১৯৮৭). ডাক প্ৰবচন (ডাক ভনিতা), বাণী প্ৰকাশ, গুৱাহাটী।

৬) শৰ্মা, নবীন চন্দ্ৰ (২০০৫). ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, জ্যোতি প্ৰকাশন, গুৱাহাটী।

৭) শৰ্মা, শশী (১৯৯৩). অসমৰ লোক সাহিত্য, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী।

৮) শৰ্মা, সত্যেন্দ্ৰ নাথ (২০০৩). অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, প্ৰতিমাদেৱী, গুৱাহাটী, নৱম সংস্কৰণ।


********